# Juvenile Idiopathic Arthritis
# জুভেনাইল ইডিঅ'পেথিক আথ্ৰাইটিছ

**IRA Committee on patient Education**
**ভাৰতীয় ৰিউমেটল'জী সন্থাৰ ৰোগী শিক্ষা সমিতি**

*Assamese Translation by:*
**Prof. Sanjeeb Kakati**
Deptt. of Medicine, Assam Medical College, Dibrugarh

*অসমীয়া অনুবাদ ঃ*
**ডাঃ সঞ্জীৱ কাকতি**
অধ্যাপক, মেডিচিন বিভাগ, অসম চিকিৎসা মহাবিদ্যালয়, ডিব্রুগড়

### জে আই এ কি?

JIA হৈছে শিশুৰ মাজত আটাইতকৈ বেছিকৈ দেখা পোৱা দীৰ্ঘদিনীয়া স্থায়ী (ছসপ্তাহতকৈ বেছি সময় ধৰি) গাঁঠি বিষৰ কাৰণ। লক্ষণ আৰু শাৰীৰিক পৰীক্ষাৰ ওপৰত ভিত্তি কৰি ইয়াক বিভিন্ন প্ৰকাৰত বিভক্ত কৰিব পাৰি। JIAত শিশুৰ গাঁঠিৰ বিষ হয়, ফুলি উঠে আৰু ইয়াৰ লগতে জ্বৰ, ছালত ৰঙা দাগ, চকু ৰঙা পৰা নাইবা ভৰিৰ তলুৱাৰ বিষ হ'ব পাৰে।

### এই ৰোগ কিয় হয়?

ই কিয় হয় ইয়াৰ সঠিক কাৰণ জনা যোৱা নাই। বংশানুক্ৰমিক আৰু পাৰিপাৰ্শ্বিক কাৰকৰ ভূমিকা আছে বুলি ভবা গৈছে। কিন্তু এই ৰোগ বংশানুগত নহয়, কিয়নো মাত্ৰ ৫ শতাংশ শিশুৰহে পৰিয়ালত এই ৰোগ থকা (family history) দেখা যায়।

### ইয়াৰ সাধাৰণ লক্ষণ কি?

আৰম্ভণিতে এটা বা তাতোধিক গাঁঠি ফুলি উঠে আৰু বিষ অনুভৱ হয়। শিশুটিৰ জ্বৰ, ভাগৰ লগা আৰু পুৱাভাগত গাঁঠি ঠৰঙা লাগিব পাৰে। কিছু সংখ্যক ল'ৰা-ছোৱালীৰ গাঁঠিৰ বিষৰ লগতে খুব বেছিকৈ জ্বৰ, ছালত ৰঙা দাগ পৰা আৰু গাঙঠি আদিও হ'ব পাৰে।

### এই ৰোগ নিৰ্ণয় কেনেকৈ কৰা হয়?

JIAৰ ৰোগ নিৰ্ণয়ৰ বাবে কোনো বিশেষ পৰীক্ষা নাই। ৰোগীৰ লক্ষণ আৰু শাৰীৰিক পৰীক্ষাৰ দ্বাৰা ইয়াক নিৰ্ণয় কৰিব পাৰি। অন্যান্য ৰোগৰ লগত পাৰ্থক্য কৰিবলৈ কিছুমান সাধাৰণ পৰীক্ষা কৰা হয় আৰু ইয়াৰ দ্বাৰা ৰোগৰ গম্ভীৰতাও জানিব পৰা যায়।

### ইয়াৰ চিকিৎসা কিদৰে কৰা হয়?

লগে লগে বিষ কমাবলৈ বেছি ভাগ ল'ৰা-ছোৱালীক এনে এন এচ এ আই ডি (NSAID) যেনে, নেপ্ৰক্সেন(Naproxen), ইবুপ্ৰফেন (Ibuprofen) আদি দিয়া হয়। কমসংখ্যক গাঁঠি আক্ৰান্ত হোৱা শিশুৰ ক্ষেত্ৰত কৰ্টিচ'ন (Cortisone) বেজি গাঁঠিত দি ৰোগ নিয়ন্ত্ৰণ কৰিব পাৰি। যিহেতু ই এবিধ বহুদিন স্থায়ী ৰোগ, সৰহ সংখ্যক ৰোগীক ডি এম এ আৰ ডি (DMARD) যেনে, মেথ'ট্ৰেক্সট (Methotrexate)ৰ আৱশ্যকতা হয়। অন্যান্য ব্যৱহৃত ঔষধৰ ভিতৰত আছে ছেলাজ'পাইৰিন (Salal) লেফ্লুন'মাইড (Leflunomide) আৰু বাইলঅ'জিকছ্ (Biologicals)। ঔষধৰ লগতে শিশুটিক সুষম আহাৰ আৰু পুষ্টিকৰ আহাৰ যোগান, স্প্লিণ্টছ (splints)ৰ প্ৰয়োগ, (সংকোচন প্ৰতিৰোধকাৰী), শাৰীৰিক ব্যায়াম আৰু মানসিকভাৱে উৎসাহিত কৰাৰ আৱশ্যক।